# India seeks 50% reduction in Pakistan High Commission Strength

June 23, 2020

---

# ভাৰতে পাকিস্তান উচ্চ আয়োগত 50% কৰ্মচাৰী কম কৰাৰ বাবে অনুৰোধ জনায়

জুন 23, 2020

বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে পাকিস্তানৰ অন্তঃকালীন কাৰ্য্যদূতক ছমন কৰে আৰু কয় যে ভাৰতে বাৰে বাৰে তেওঁলোকৰ উচ্চ আয়ুক্তৰ কৰ্মকৰ্তাসকলৰ কাৰ্যকলাপকলৈ উদ্বাগ প্ৰকাশ কৰিছে। তেওঁলোক গুপ্তচৰ বৃত্তি আৰু সন্ত্ৰাসবাদী সংগঠনৰ সৈতে লেনদেন চলাই যোৱা কাৰ্যত লিপ্ত হৈ আছে। 31 মে 2020 তাৰিখে ধৰা পৰা আৰু অপসাৰিত হোৱা দুগৰাকী বিষয়াৰ কাৰ্যকলাপ এই সন্দৰ্ভত এক উদাহৰণ।

যত পাকিস্তানৰ বিষয়াসকল এনেধৰণৰ কাৰ্যত লিপ্ত আছিল যি উচ্চ আয়োগত তেওঁলোকৰ বিশেষভাৱে প্ৰাপ্ত অধিকাৰ স্থিতিৰ সৈতে অনুৰূপ নহয়, তেনেক্ষেত্ৰত পাকিস্তানে সমান্তৰাল ভাৱে ভাৰতীয় উচ্চ আয়োগৰ বিষয়া আৰু কৰ্মচাৰীসকলক তেওঁলোকৰ বৈধ কূটনৈতিক দায়িত্ব পালন কৰাৰ পৰা বিৰত ৰাখিবলৈ অহৰহ প্ৰচেষ্টা চলাই আছে। সাম্প্ৰতি পাকিস্তানৰ উচ্চ আয়োগত কৰ্মৰত দুগৰাকী ভাৰতীয় বিষয়াক বন্দুক দেখুৱাই অপসৰণ কৰিছিল আৰু তেওঁলোকৰ লগত যথেষ্ট বেয়া ব্যৱহাৰ কৰা হৈছিল। 22 জুন 2020 তাৰিখে ভাৰতলৈ উভতি আহি এই কৰ্মচাৰীসকলে পাকিস্তানী এজেঞ্চীৰ দ্বাৰা বৰ্বৰ আচৰণৰ সম্পূৰ্ণ বিৱৰণ দাঙি ধৰে।

পাকিস্তান আৰু তাৰ বিষয়াসকলৰ আচৰণ ভিয়েনা কনভেন্সন আৰু কূটনৈতিক আৰু কনচ্যুলাৰ বিষয়াসকলৰ সৈতে কৰা ব্যৱহাৰ দ্বিপাক্ষিক চুক্তিসমূহৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়। ইয়াৰ বিপৰীতে, সীমান্তত হোৱা হিংসাত্মক কাৰ্যকলাপ আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰাৰ বৃহত্তৰ নীতিমালাৰ অন্তৰ্নিহিত উপাদান।

সেইকাৰণে, ভাৰত চৰকাৰে নতুন দিল্লীত থকা পাকিস্তান উচ্চ আয়োগত 50% কৰ্মচাৰী হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেইদৰে ভাৰতেও ইছলামাবাদত সেই একে অনুপাতে নিজৰ কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰিব। এই সিদ্ধান্তক অহা সাত দিনৰ ভিতৰত কাৰ্যকৰী কৰা হব আৰু পাকিস্তানৰ অন্তঃকালীন কাৰ্য্যদূতক এই বিষয়ে অৱগত কৰোৱা হব।

**নতুন দিল্লী**
**জুন 23, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.